

# লুবাংগাৰ যুদ্ধ অপৰাধ



আলোকপাত | জিতুমণি পাঠক

যো ৱা ১০ জুলাইত নেডাৰলেণ্ডৰ হেগ চহৰৰ 'ইণ্টাৰনেচনেল ক্ৰিমিনেল কোৰ্ট (আই চি চি)ত চলি থকা এখন বিচাৰৰ ওপৰত সমগ্ৰ বিশ্ববাসীৰে দৃষ্টি নিৱদ্ধ হৈ আছিল। সকলো উৎকণ্ঠিত হৈ আছিল এই ঐতিহাসিক বিচাৰৰ চূড়ান্ত ফল জানিবলৈ। আই চি চিৰ কাঠগৰাত প্ৰথমবাৰৰ বাবে এগৰাকী অভিযুক্তক থিয় কৰোৱা হৈছিল 'ৱাৰ ক্ৰাইম' সম্পৰ্কীয় অপৰাধী কাৰ্যকলাপৰ বাবে। অভিযুক্ত থমাছ লুবাংগা ডিল'-ডেম'ক্ৰেটিক ৰিপাব্লিক অব্ দ্য কংগোৰ লেণ্ডু জনগোষ্ঠীৰ প্ৰতিগৰাকী ব্যক্তিৰ বাবে যেন ই এক ঘৃণিত নাম। ১৯৯৯ৰ পৰা ২০০৭ লৈ চলা 'ইটুৰি সংঘৰ্ষৰ অন্যতম খলনায়ক লুবাংগা কেৱল লেণ্ডু জনগোষ্ঠীৰে শত্ৰু নহয়, শত্ৰু সমগ্ৰ মানৱতাৰ। তেওঁৰ নিৰ্দেশতে কংগোত প্ৰায় এটা দশকজুৰি সংঘটিত হৈছিল হত্যা, ধৰ্ষণ, উৎপীড়নৰ তাণ্ডৱ। নিষ্ঠুৰতাৰ এই জীৱন্ত প্ৰতিমূৰ্তিৰ কাৰ্যকলাপত চিন্তিত হৈ পৰিছিল বিশ্বসমাজ। যাৰ বাবে আই চি চিয়ে প্ৰথমবাৰৰ বাবে ৱাৰেণ্ট ইচ্ছ্যু কৰে এই জঘন্য খলনায়কজনৰ গতিক স্তব্ধ কৰিবলৈ। ডেম'ক্ৰেটিক ৰিপাব্লিক অব্ দ্য কংগোৰ সহযোগত এই ৱাৰেণ্টৰ ভিত্তিত ২০০৬ ৰ ১৭ মাৰ্চত লবাংগাক গ্ৰেপ্তাৰ কৰা হয়।

১৯৬০ চনৰ ২৯ ডিচেম্বৰত কংগোৰ ইটুৰি প্ৰদেশত জন্মগ্ৰহণ কৰা লুবাংগা আছিল এগৰাকী মনোবিজ্ঞানৰ স্নাতক। দ্বিতীয় কংগোযুদ্ধৰ সময়ত লুবাংগা জড়িত হৈ আছিল আৰ চি ডি-এম এল নামৰ এটি বিপ্লৱী সংগঠনৰ সৈতে। এই সংগঠনটোত তেওঁ সামৰিক সৈন্যাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০১ চনত লুবাংগাই নিজাববীয়াকৈ অন্য এক বিদ্ৰোহী সংগঠনৰ জন্ম দিয়ে, যাৰ নাম আছিল 'ইউনিয়ন অব্ কংগোলিজ পেট্ৰিয়ট (ইউ পি চি)। অৱশ্যে তেতিয়ালৈ লুবাংগাৰ আৰ চি ডি-এম এলৰ সৈতে সম্পৰ্ক ছিন্ন হোৱা নাছিল। কিন্তু আৰ চি ডি-এম এল ৰ নেতৃবৰ্গই লুবাংগাৰ এই কাৰ্যত সন্তুষ্ট নাছিল। যাৰ ফলত পিছৰফালে তেওঁলোকে লুবাংগাৰ হাতৰপৰা লাহে লাহে সামৰিক কৰ্তৃত্ব আঁতৰাই আনে। ক্ষুব্ধ, ক্ষমতাপিয়াসী লুবাংগাই ইয়াৰ পিছতে আৰ চিডি -এম এলৰ সৈতে সম্পূৰ্ণৰূপে সম্পৰ্ক বিচ্ছিন্ন কৰে আৰু ইউ পি চিৰ প্ৰেছিডেণ্টৰ পদ গ্ৰহণ কৰে। ই পি চিৰ বিদ্ৰোহী কাৰ্যকলাপক শক্তিশালী কৰিবলৈ লুবাংগাই ইয়াতো 'পেটিয় টিক ফৰ্চ ফৰ দ্য লিবাৰেচন অব্ দ্য কংগো' নামেৰে এটি সামৰিক গোট গঠন কৰে। লুবাংগাৰ স্বেচ্ছাচাৰী, একনায়কত্ববাদী আদৰ্শৰে প্ৰেৰিত ইউ পি চি পৰৱৰ্তী সময়ত হৈ পৰে ইটুৰি প্ৰদেশৰ বিভিন্ন জনগোষ্ঠীবোৰৰ, বিশেষকৈ লেণ্ডু জনগোষ্ঠীৰ বাবে আতংকৰ অন্য এক নাম।

যোৱা শতকটোৰ অন্য এক কলংকিত অধ্যায় হিচাপে পৰিচিত ইটুৰি সংঘৰ্ষ মূলত সংঘটিত হৈছিল 'হিমা' আৰু 'লেণ্ডু' নামৰ দুটা জনগোষ্ঠীৰ মাজত। এই দুয়োটা জনগোষ্ঠী মূলতঃ কংগোৰ ইটুৰি আৰু অৰিয়েণ্টেল প্ৰদেশত বসবাস কৰিছিল। জনসংখ্যাৰ ফালৰ পৰা লেণ্ডু জনগোষ্ঠীৰ সংখ্যাসৰহ। কৃষিজীৱী লেণ্ডুসকলৰ বিপৰীতে সংখ্যাত কম হিমা জনগোষ্ঠীৰ লোকসকল আছিল পশুপালক। ভাষা-সংস্কৃতি-অৰ্থনীতি পৃথক হ'লেও দুয়োটা জনগোষ্ঠীয়ে শান্তিৰেই বসবাস কৰিছিল। কংগোৰ উত্তৰাঞ্চলত বসবাস কৰা বহুতো হিমা জনগোষ্ঠী লোকে লেণ্ডুসকলে ব্যৱহাৰ কৰা ভাষাকেই ব্যৱহাৰ কৰিছিল। হঠাতে যেন পট পৰিৱৰ্তন হ'ল। হিমা-লেণ্ডুৰ যাউতিযুগীয়া সংহতিত ঘুণে ধৰিলে। লুবাংগা আৰু ইউ পি চিয়ে হিমা জনগোষ্ঠীৰ লোকৰ মনত লেণ্ডুসকলৰ প্ৰতি ঘৃণাৰ বীজ ৰোপণ কৰিলে। লুবাংগা আছিল নিজে হিমা জনগোষ্ঠীৰ সদস্য। এই ঘৃণাৰ বিষবাষ্পই এটা সময়ত ইটুৰি প্ৰদেশত ভয়াৱহ ৰূপ ধাৰণ কৰিলে। লুবাংগা আৰু ইউ পি চিৰ প্ৰৰোচনাত আৰম্ভ হ'ল লেণ্ডু সংহাৰী যজ্ঞ। ইটুৰি প্ৰদেশ হৈ পৰিল মানৱতাৰ বধ্যভূমি। ইউ পি চিয়ে ২০০২ নৱেম্বৰৰ পৰা ২০০৩ জুনলৈ প্ৰায় আঠশ নাগৰিকক হত্যা কৰিলে কেৱল তেওঁলোকৰ জনগোষ্ঠীয় পৰিচয়ৰ ভিত্তিত। ২০০৩ৰ ১৮ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চৰ ভিতৰত ইটুৰি প্ৰদেশৰ সৰু এখন ঠাইৰ প্ৰায় ২৬খন গাঁও সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলালে ইউ পি চিয়ে। এই আক্ৰমণৰ সময়ছোৱাত ৩৫০ গৰাকী ব্যক্তিৰ মৃত্যু হ'ল। প্ৰায় ষাঠী হাজাৰ লোকক নিজৰ ঘৰ পৰিত্যাগ কৰিবলৈ বাধ্য কৰোৱা হ'ল। ইটুৰি প্ৰদেশৰ চৌদিশে বিৰাজ কৰিলে লুবাংগাৰ আতংকই। লুবাংগাই ইটুৰি সকলো পৰিয়ালক আদেশ দিলে তেওঁলোকৰ বিদ্ৰোহক সফল কৰিবলৈ সহায় আগবঢ়াবলৈ। পাৰিলে ধনেৰে, নোৱাৰিলে পৰিয়ালৰ শিশু সদস্যজনক ইউ পি চিৰ সামৰিক গোটত উছৰ্গা কৰি। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ সংস্থাৰ প্ৰতিবেদন অনুযায়ী এটা সময়ত লুবাংগাৰ সামৰিক গোটত শিশু সৈনিকৰ সংখ্যা হৈছিলগৈ প্ৰায় তিনি হাজাৰ।

ইটুৰি সংঘৰ্ষৰ সময়ত লুবাংগাৰ এক উল্লেখনীয় কাৰ্য আছিল 'বুনিয়া'-ক নিজৰ দখললৈ অনাটো। সোণৰ বাবে প্ৰখ্যাত ইটুৰি অঞ্চলৰ বুনিয়া হ'ল ৰাজধানী সদৃশ। বহুতো সোণৰ খনিৰে সমৃদ্ধ ইটুৰিৰ বাণিজ্যিক কাম-কাজবোৰ পৰিচালিত হৈছিল এই বুনিয়াৰ পৰা। বুনিয়াৰ দখল নিজৰ হাতলৈ আনি লুবাংগাই ২০০২ চনত কংগো চৰকাৰক দাবী জনালে ইটুৰিক যেন এক সুকীয়া স্বায়ত্তশাসিত অঞ্চল হিচাপে ঘোষণা কৰা হয়। কিন্তু সেই সময়তে 'কিনচাছ'ৰ এটা মিছনৰ সময়ত লুবাংগা অনাকাংক্ষিতভাৱে পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়। লুবাংগাক মুক্ত কৰিবলৈ তৎপৰ হৈ উঠে ইউ পি চি। অপহৰণ কৰা হয় ডেম'ক্ৰেটিক ৰিপাব্লিক অব্ দ্য কংগোৰ এগৰাকী ক্ষমতাশালী মন্ত্ৰীক। অৱশেষত শিৰ নত কৰিবলৈ বাধ্য হয় কংগো চৰকাৰ। মন্ত্ৰীগৰাকীৰ বিনিময়ত ইউ পি চিয়ে মুক্ত কৰি নিয়ে লুবাংগাক। মাত্ৰ দহ সপ্তাহৰ ভিতৰতে লুবাংগাৰ মুক্তি সম্ভৱ হৈ উঠে।



মুক্তিৰ পিছত লুবাংগাই ইটুৰিৰ স্বায়ত্তশাসনৰ দাবীৰ প্ৰক্ৰিয়া আৰু শক্তিশালী কৰিবলৈ প্ৰয়াস কৰিছিল যদিও হঠাতে হোৱা ৰাজনৈতিক পৰিৱৰ্তনে লুবাংগাৰ পৰিকল্পনা উলট-পালট কৰি পেলালে। ২০০৩ৰ মাৰ্চত উগাণ্ডাৰ সামৰিক বাহিনীয়ে বুনিয়াৰ শাসনভাৰ কাঢ়ি নিজৰ হাতলৈ আনিলে আৰু ইউ পি চিক তাৰ পৰা সম্পূৰ্ণৰূপে বাহিৰ কৰি পঠিয়ালে। উপায়হীন লুবাংগাই কিন্‌চাছত বাহৰ পাতিলে আৰু ইউ পি চিক এটা ৰাজনৈতিক দল হিচাপে পঞ্জীয়ন কৰালে। কিন্তু লুবাংগাৰ এইবাৰ যেন দুৰ্ভাগ্যৰ ক্ষণ আৰম্ভ হ'ল। ইটুৰি সংঘৰ্ষৰ সময়ত অঞ্চলটোৰ পৰিস্থিতি অধ্যয়ন কৰিবলৈ ৰাষ্ট্ৰসংঘই ৯ জন বাংলাদেশৰ লোকক ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীৰ সদস্য হিচাপে পঠিয়াইছিল। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে এই আটাইকেইজনে ইউ পি চিৰ জঘন্য হত্যাৰ বলি হৈছিল। ইউ পি চিৰ মুৰব্বী হিচাপে এই হত্যালীলাৰ সমস্ত দোষ আৰোপিত হ'ল লুবাংগাৰ ওপৰত আৰু সেই অভিযোগৰ ভিত্তিতে তেওঁ পুনৰ গ্ৰেপ্তাৰ হ'বলগীয়াত পৰিল। ২০০৫ চনৰ ২৫ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ হোৱা লুবাংগাক প্ৰথম অৱস্থাত এখন বিলাসী হোটেলত ৰখা হৈছিল যদিও পিছত তেওঁক নিক্ষেপ কৰা হ'ল কিনচাছৰ চেণ্ট্ৰেল জেললৈ।

ইয়াৰ পিছত সঘনাই পৰিৱৰ্তন হ'বলৈ ল'লে ঘটনাৱলী। ইণ্টাৰনেচনেল ক্ৰিমিনেল কোৰ্টে কংগো চৰকাৰক আবেদন জনালে লুবাংগাক তেওঁলোকৰ হাতত অৰ্পণ কৰিবলৈ। কিয়নো লুবাংগাৰ উৎপীড়নমূলক কাৰ্যকলাপে কেৱল কংগোৰেই নহয়, কংগোৰ বাহিৰৰ লোকৰো জীৱন-সম্পত্তি বিপৰ্যস্ত কৰি তুলিছিল। লুবাংগাৰ বৰ্দ্ধিত কুখ্যাতিয়ে তেওঁক এজন আন্তঃৰাষ্ট্ৰীয় অপৰাধীলৈ পৰিণত কৰিছিল। সেয়েহে আই চি চিৰ আবেদনৰ সৈতে সহমত পোষণ কৰি 'ডেম'ক্ৰেকিট ৰিপাব্লিক অব্ দ্য কংগো'ৱে লুবাংগাক আই চি চিৰ হাতত সমৰ্পণ কৰে।

কংগো চৰকাৰৰপৰা কৰ্তৃত্ব লাভ কৰি আই চি চিয়ে লুবাংগাক হেগলৈ লৈ আনে আৰু ইয়াত তেওঁক আই চি চিৰ ডিটেনশ্বন কেম্পত ৰখা হয়। ২০০৯ চনৰপৰা লুবাংগাৰ বিৰুদ্ধে গোচৰ আৰম্ভ হয়। বিচাৰাধীন সময়ত লুবাংগাৰ গোচৰে বহু সময়ত বহু জটিলতাৰ সৃষ্টি কৰিছিল। তথাপি তেওঁৰ বিৰুদ্ধে সাক্ষ্য-প্ৰমাণ এনেদৰে গোট খাইছিল যে লুবাংগা দোষী সাব্যস্ত হোৱা একপ্ৰকাৰ নিশ্চিত আছিল। ২০১২ৰ ১৪ মাৰ্চত লুবাংগাই ইটুৰি সংঘৰ্ষৰ সময়ত ১৫ বছৰৰ তলৰ ল'ৰা-ছোৱালীক যুদ্ধত প্ৰত্যক্ষভাৱে লিপ্ত কৰোৱাৰ অভিযোগত দোষী সাব্যস্ত হয়। লুবাংগাৰ সেই অমানৱীয় কাৰ্য সাক্ষ্য প্ৰমাণেৰে নিশ্চিত হোৱাৰ পিছত বাকী ৰ'ল চূড়ান্ত ৰায়দানৰ। অৱশেষত সেই বহু প্ৰত্যাশিত দিনটোও আহিল। যোৱা ১০ জুলাইত আই চি চিয়ে এক ঐতিহাসিক ৰায়ৰ জৰিয়তে থমাছ লুবাংগাক ১৪ বছৰৰ বাবে কাৰাদণ্ডিত কৰিলে। আই চি চিৰ বাবে এই দিনটো এই বাবেই গুৰুত্বপূৰ্ণ যে আই চি চিৰ জন্মৰ দহ হ'ল যদিও এইহে প্ৰথমবাৰৰ বাবে আই চি চিয়ে এজন অপৰাধীক শাস্তি প্ৰদান কৰিলে। ইয়াৰ আগলৈ কোনো বিচাৰাধীন অভিযুক্তক তেওঁলোকে শাস্তি প্ৰদান কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশ্যে লুবাংগাই ইতিপূৰ্বে ডিটেনছন চেণ্টাৰত ছবছৰ কটোৱাৰ বাবে তেওঁৰ শাস্তি ম্যাদ আৰু আঠ বছৰহে বাকী ৰৈছেগৈ। যিয়েই নহওক এই ঐতিহাসিক ৰায়ৰ জৰিয়তে আই চি চিয়ে সকীয়াই দিলে যে অপৰাধী যিমান ক্ষমতাশালীয়েই নহওক কিয়, তেওঁ কেতিয়াও আইনৰ উৰ্দ্ধত নহয়।